# 2017

# ASSAMESE

## ( Major )

Paper : 1.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×১০=১০

(ক) লোকসাহিত্য কাক বোলে?

(খ) 'দহৰ জ্ঞান, একৰ বাণী' বুলি কিহক কোৱা হয়?

(গ) 'আখ্যানমূলক গীত' কাক বোলে?

(ঘ) 'মৈষাল গীত' অসমৰ কোন অঞ্চলত প্ৰচলিত?

(ঙ) মাধৱ কন্দলিৰ 'ৰামায়ণ'-ৰ 'আদিকাণ্ড'টো কোনে ৰচনা কৰিছিল?

(চ) অনন্ত কন্দলিৰ প্ৰকৃত নাম কি আছিল?

(ছ) শঙ্কৰদেৱে ৰচনা কৰা প্ৰথম কাব্যখন কি?

(জ) অসমীয়া সাহিত্যত কাক 'মহাভাৰত'ৰ কবি বুলি জনা যায়?

(ঝ) ভাস্কৰবৰ্মাৰ তাম্ৰ শাসনখনৰ নাম কি আছিল?

(ঞ) মধ্যযুগৰ অসমীয়া লিপিৰ লিখনশৈলী কেইটা আছিল?

২। এটা বা দুটা শাৰীত চমু উত্তৰ লিখা : ২×৫=১০

(ক) জুনা কাক বোলে? অসমীয়া সমাজত প্ৰচলিত এবিধ জুনাৰ নাম লিখা।

(খ) প্ৰহ্লাদ চৰিত্ৰ কোনে ৰচনা কৰিছিল আৰু তেওঁ কোন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?

(গ) শঙ্কৰী যুগৰ বৈষ্ণৱ সাহিত্যৰ মূল উৎস কি আছিল?

(ঘ) পাঁচালী শব্দৰ অৰ্থ কি? পাঁচালী সাহিত্যৰ মূল বিশেষত্ব কি?

(ঙ) শঙ্কৰদেৱৰ দুখন অংকীয়া নাটৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) লোকসাহিত্যৰ পাঁচটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) সাধুকথা কাক বোলে? মূল আৰু বিষয়বস্তু অনুসৰি সাধুকথাক কি কি ভাগত ভগাব পাৰি?

(গ) অঙ্কীয়া নাট সম্পৰ্কে চমুকৈ লিখা।

(ঘ) দুৰ্গাবৰৰ কাব্য-প্ৰতিভা সম্পৰ্কে চমুকৈ লিখা।

(ঙ) মাধৱদেৱৰ ঝুমুৰা সম্পৰ্কে এটা টোকা লিখা।





(চ) বামুনীয়া লিপি কাক বোলে, চমুকৈ লিখা।

(ছ) লিপিচৰ্চাৰ সমলসমূহৰ বিষয়ে আলোচনা কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) 'লোকগীত' কাক বোলে? অসমীয়া লোকগীতক কেইটা ভাগত ভাগ কৰিব পাৰি? প্ৰতিটো ভাগৰ বিষয়ে চমুকৈ লিখা।

(খ) ফকৰা-যোজনা-প্ৰৱচন সম্পৰ্কে এটা আলোচনা আগবঢ়োৱা।

(গ) বিহুগীতত অসমৰ প্ৰকৃতি-জগতৰ ছবি কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(ঘ) 'নামঘোষা'ত ভক্তিৰ প্ৰকাশ কিদৰে ঘটিছে, আলোচনা কৰা।

(ঙ) প্ৰাক্-শঙ্কৰী যুগৰ সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰা।

(চ) বৰগীত সম্পৰ্কে বিশদভাৱে আলোচনা কৰা।

(ছ) "বধকাব্যবোৰ এক প্ৰকাৰ ৰূপক কাব্য।" এই উক্তিৰ আধাৰত বধকাব্য সম্পৰ্কে এটা আলোচনা আগবঢ়োৱা।

(জ) "অসমীয়া লিপিটো শিলালিপি আৰু তামৰ ফলিত ব্যৱহৃত লিপিৰ বিকশিত এটা ৰূপ।" ইয়াৰ আধাৰত অসমীয়া লিপিৰ ক্ৰমবিকাশ সম্পৰ্কে লিখা।

★★★